# সংবাদ কি? (পর্য্যায়-১)

| | |
|---|---|
| **বিৱৰণ** | শিক্ষাৰ্থীয়ে কভিদ-১৯ ৰ ওপৰত নিজৰ সংবাদ পত্ৰৰ বাবে বাতৰি লিখিব আৰু অন্যান্য শাখা সমূহ ৰূপাঙ্কন কৰিব। |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | কেনেকৈ আমি প্ৰচলিত সংবাদ তথ্যৰ অনুসন্ধান আৰু উপস্থাপন কৰিম? |
| **মুঠ সময়ৰ প্ৰয়োজন** | মুঠ ৬ দিনত ৩ ঘণ্টা। |
| **প্ৰয়োজনীয় সঁজুলি** | ৰং, কাগজ, এখন বাতৰিকাকত (access to a newspaper) |
| **শিকনৰ ফলাফল** | ১) প্ৰাথমিক আৰু মাধ্যমিক গৱেষণা পৰিচালনা কৰা।<br>২) আকৰ্ষণীয় লিখিত উপকৰণ গঠন।<br>৩) লাভ কৰা সঁহাৰিৰ আকাৰ আৰু লৈখিক উপস্থাপনৰ সৈতে সাধাৰণ গণিত পৰিচালনা।<br>৪) মৌলিক বাৰ্তা সমূহ ৰসালতাৰে চিত্ৰণ আৰু বিতৰণ। |
| **প্ৰাৰম্ভিক জ্ঞান** | সংবাদপত্ৰ প্ৰকাশ আৰু ইয়াৰ প্ৰাসঙ্গিক বিভাগ সমূহ। |

## দিন ১

আজি তুমি শিকিবা কিহেৰে এখন সংবাদপত্ৰ তৈয়াৰ কৰা হয়।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৫ মিনিট | ❖ শিক্ষাৰ্থীয়ে উদাহৰণ স্বৰূপে এখন সংবাদপত্ৰ চাব আৰু তেওঁলোকৰ ঘৰৰ বাবে নিজৰ সংবাদপত্ৰ ৰূপাঙ্কনৰ বিষয়ে ভাৱিব। |
| ৩০ মিনিট | ❖ উপাদানঃ কাহিনী, বতৰ, কৌতুক, খেল।<br>❖ শিক্ষাৰ্থীয়ে এখন বাতৰিকাকত চাব আৰু অভিভাৱকে প্ৰতিটো বিভাগ কি হয় বুজিবলৈ শিক্ষাৰ্থীক সহায় কৰিব। পিছত সহজ ভাৱে পঢ়ি শুনাব।<br>❖ শিক্ষাৰ্থীয়ে যি বুজি পাইছে তাৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ সংবাদপত্ৰৰ বিভাগ সমূহ কি কি হ'ব বৰ্ণনা কৰিব। |

## দিন ২

আজি তুমি এটা চিত্ৰসহ কৌতুক লিখি উলিয়াবা আৰু লকডাউনৰ সময়ছোৱাত কভিদ-১৯ৰ প্ৰভাৱৰ বিষয়ে বিষদ ভাৱে শিকিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৩০-৪০ মিনিট | ❖ শিক্ষাৰ্থীয়ে তেওঁলোকৰ ঘৰত কভিদ-১৯ ৰ প্ৰভাৱৰ ওপৰত চিত্ৰণ কৰিব আৰু লিখিব।<br>❖ তেওঁলোকে কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ বিষয়ে ভাৱিব-<br>– লকডাউনৰ সময়ছোৱাত স্বাভাৱিক দিন কি হয়- দিনটোৰ মাজেৰে কি কি হ’ব আৰু মানুহে ঘৰত কি কৰিব?<br>– ঘৰৰ প্ৰত্যেকৰে মানসিক অৱস্থা কেনে হ’ব?<br>– কৰণা ভাইৰাচৰ পৰা তেওঁলোকে নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰত্যকেই ঘৰত কি কৰিছে?<br>– ঘৰত থাকি কি ভাল লাগে?<br>❖ শিক্ষাৰ্থীয়ে ঘৰত এটা নতুন দিনৰ সৈতে কৌতুক আৰু এয়া কেনেকৈ আনন্দদায়ক হব সেয়া চিত্ৰণ কৰিব।<br>❖ কৌতুক ৪-৫ টা দীঘল বৰ্গাকৃতিৰ বা আয়তাকাৰৰ হ’ব পাৰে।<br>❖ শিক্ষাৰ্থীয়ে তেওঁলোকৰ কৌতুকৰ চৰিত্ৰসমূহ চিত্ৰণ কৰিব আৰু নামাকৰণ কৰিব। তাৰ পিছত তেওঁলোকে চৰিত্ৰসমূহৰ কাষতে চৰিত্ৰসমূহে কি ভাৱি আছে বা কি কৈ আছে সেয়া নিজে লিখিব বা অভিভাৱকক লিখিব দিব। |

## দিন ৩

আজি তুমি শিকিবা বতৰৰ বিষয়ে আৰু বতৰৰ পূৰ্বাভাস অংকন কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৪০ মিনিট | ❖ শিক্ষাৰ্থীয়ে চলিত ঋতু চিনাক্ত কৰিব আৰু তেওঁলোকে বসন্ত, গ্ৰীষ্ম, বৰ্ষা, শীত কোনটো ঋতুত আছে লিখিব।<br>❖ শিক্ষাৰ্থীয়ে ঋতুৰ লগত সংগতি ৰাখি সূৰ্য্য, ডাৱৰ, বৰষুণ, তুষাৰকণা চিত্ৰণ কৰিব।<br>❖ শিক্ষাৰ্থীয়ে চলিত বতৰৰ বিষয়ে গৰম/ঠাণ্ডা কেনে লাগে লিখিব।<br>❖ শিক্ষাৰ্থীয়ে বতৰ অনুযায়ী কি কাপোৰ পিন্ধা যায় আৰু কেনে ক্ৰিয়াকলাপ কৰা হয় সেয়া চিত্ৰণ কৰিব। |

## দিন ৪

আজি তুমি সকলোৰে খেলিবলৈ এটা নতুন খেল উলিয়াবা আৰু তোমাৰ বাতৰিকাকতৰ বাবে মতামত পত্ৰ ৰূপাঙ্কন কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ২০ মিনিট | ❖ শিক্ষাৰ্থীয়ে চূড়ান্ত বিভাগৰ বাবে ঘৰত খেলিব পৰাকৈ এটা আকৰ্ষণীয় খেল উলিয়াব।<br>❖ উদাহৰণঃ<br>মই এটা গান গাম আৰু সকলোৱে নাচিব লাগিব। যেতিয়া মই গোৱা বন্ধ কৰিম সকলো ৰৈ দিব লাগিব। যিজনে ৰ'ব পাহৰিব, খেলৰ পৰা বাহিৰ হ'ব। |
| ১০ মিনিট | ❖ শিক্ষাৰ্থীয়ে তিনিটা প্ৰশ্নৰে মতামত পত্ৰ ৰূপাংকন কৰিব–<br>– অংকন কৰা ছবিসমূহ খুউব ভাল হৈছে।<br>– সকলোবোৰ সহজে বুজি পোৱা হৈছে।<br>– খেলটো আকৰ্ষণীয়।<br>❖ সঁহাৰিসমূহ একত্ৰিত কৰা– দৃঢ়ভাৱে একমত, একমত, একমত নহয়। |

# দিন ৫

আজি তুমি তোমাৰ সংবাদপত্ৰৰ বাবে তোমাৰ চিত্ৰকলা প্ৰয়োগ কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ২০ মিনিট | ❖ শিক্ষাৰ্থীয়ে তেওঁলোকৰ সংবাদপত্ৰৰ নক্সা ৰূপাংকন কৰিবলৈ আৰম্ভ কৰিব।<br>❖ শিক্ষাৰ্থীয়ে প্ৰতিটো বিভাগ বিভিন্ন আকৃতিত অংকনৰ কৰি আৰু সম্পূৰ্ণ কৰা কৌতুক আৰু বতৰৰ লিখনি তাত আঠা লগাই পূৰ্বতে শিকি অহা আকাৰৰ ধাৰণা পুনঃসংশোধন কৰিব পাৰে।<br>❖ সহায়ঃ প্ৰতিটো বিভাগ বিভিন্ন আকাৰৰ হব পাৰে। |
| ২০ মিনিট | ❖ শিক্ষাৰ্থীয়ে তেওঁলোকৰ সংবাদপত্ৰ খনৰ বাবে এটা নাম ভাৱিব আৰু লিখিব। |

# দিন ৬

আজি তোমালোকে পৰিয়ালক সংবাদপত্ৰ বিতৰণ কৰিবা আৰু তেওঁলোকৰ মতামত শুনিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ২০ মিনিট | ❖ শিক্ষাৰ্থীয়ে সম্পূৰ্ণ হোৱা বাতৰিকাকত পৰিয়ালৰ সদস্যৰ মাজত বিতৰণ কৰিব। |

| | |
|---|---|
| ১০ মিনিট | ❖ শিক্ষাৰ্থীয়ে মতামত পত্ৰৰ ওপৰত ভিত্তি কৰি এখন বাৰংবাৰতা তালিকা প্ৰস্তুত কৰিব।<br>❖ শিক্ষাৰ্থীয়ে মতামতৰ ওপৰত মন দিব আৰু পিছলৈ কি পৰিবৰ্তন কৰিব পৰা যায় ভাৱিব। |

## মূল্যায়নৰ মাপকাঠী

- ❖ লিখন ধাৰণাৰ স্পষ্টতা।
- ❖ চিন্তাৰ মৌলিকত্বৰ স্তৰ।
- ❖ গুনগত চিত্ৰণ।
- ❖ কাৰ্য্য সম্পাদনাৰ দৃঢ়তা
- ❖ আকৰ্ষণীয় সমল আৰু গঠনৰ উপস্থাপন।

## অতিৰিক্ত সমৃদ্ধিকৰণ ক্ৰিয়াকলাপ

- ❖ শিল্পসাহিত্য, অকণিৰ মেল, ভ্ৰমণ কাহিনী ইত্যাদিও সংবাদপত্ৰৰ উপাদান হিচাবে ল'ব পাৰে।

---------------